# উপসংহাৰ

**অধ্যয়নৰ সাৰভাগ ঃ**

**'শৰণীয়া-কছাৰীসকলৰ ভাষা আৰু সংস্কৃতি ঃ এটি অধ্যয়ন'** শীৰ্ষক গৱেষণা গ্ৰন্থখন প্ৰস্তুত কৰোতে শৰণীয়া-কছাৰী অধ্যুষিত অঞ্চলৰ বিভিন্ন লোকৰ পৰা তথ্য সংগ্ৰহ কৰা হৈছে তথা সহায় লোৱা হৈছে। ব্যক্তিৰ উপৰিও এই ক্ষেত্ৰত বিভিন্ন অনুষ্ঠান তথা আন নথি পত্ৰইও সহায় কৰিছে। আমাৰ এই অধ্যয়নে প্ৰধানত শৰণীয়া-কছাৰী অধ্যুষিত অঞ্চল বিশেষকৈ ওদালগুৰি, বাক্সা, গোৰেশ্বৰ, দৰং আদি অঞ্চলক সামৰি লোৱা হৈছে। শৰণীয়া-কছাৰীসকলৰ ভাষা-সাহিত্য, সংস্কৃতিৰ বিষয়ে অধ্যয়ন কৰাৰ লগতে শৰণীয়া-কছাৰীসকলৰ ইতিহাসৰ বিষয়েও আলোকপাত কৰা হৈছে। এক নিৰ্দিষ্ট সীমাবদ্ধতাৰ মাজেৰে গৱেষণা গ্ৰন্থখনৰ সামৰণি মাৰিব লগা হোৱা কাৰণে অনিচ্ছা স্বত্বেও বহুতো দিশ এৰাই চলিব লগা হৈছে। ইয়াত অন্তৰ্গত প্ৰতিটো বিষয়ৰ নিৰ্মোহ বিশ্লেষণ কৰা হৈছে।

গৱেষণা গ্ৰন্থখনিৰ অৱতৰণিকাত শৰণীয়া-কছাৰী অধ্যুষিত বিভিন্ন জিলা আৰু বিভিন্ন অঞ্চলত থকা শৰণীয়া-কছাৰীসকলৰ বিষয়ে চমুকৈ আলোকপাত কৰা হৈছে। লগতে গৱেষণা গ্ৰন্থখনিত কি কি বিষয় অন্তৰ্ভূক্ত কৰা হৈছে, সেই সম্পৰ্কে উনুকিয়াই দিয়া হৈছে। অৱতৰণিকাৰ শেষৰ ফালে প্ৰদত্ত বিষয়টিৰ অধ্যয়নৰ পৰিসীমা, গৱেষণাৰ উদ্দেশ্য আৰু গুৰুত্ব, গৱেষণাৰ পদ্ধতি, পূৰ্বকৃত অধ্যয়নৰ পৰিচয়ৰ লগতে অধ্যয়নৰ প্ৰমেয় উল্লেখ কৰা হৈছে।

গৱেষণা গ্ৰন্থখনিৰ প্ৰথম অধ্যায়ৰ শিৰোনাম হৈছে 'শৰণীয়া-কছাৰীসকলৰ চমু পৰিচয়'। শৰণীয়া-কছাৰীসকলৰ পৰিচয় দিবলৈ যাঁওতে কিৰাত-কছাৰীসকলৰ বিষয়েও চমু আভাস এটি দাঙি ধৰা হৈছে। প্ৰথম অধ্যায়টো কেইবাটাও পৰ্য্যায়ত বিভক্ত কৰি শৰণীয়া-কছাৰীসকলৰ পৰিচয়, জনসংখ্যা, সমাজ ব্যৱস্থা, সংস্কৃতি আদিৰ বিষয়েও চমুকৈ আলোকপাত কৰা হৈছে।

গৱেষণা গ্ৰন্থখনিৰ দ্বিতীয় অধ্যায়টি হৈছে 'শৰণীয়া-কছাৰীসকলৰ কথিত অসমীয়া ভাষাৰ ধ্বনিতত্ত্ব আৰু বাক্যতত্ত্ব'। এই অধ্যায়টিত শৰণীয়া-কছাৰীসকলে কোৱা কথিত অসমীয়া ভাষাটোৰ ধ্বনিতাত্ত্বিক আৰু বাক্যতত্ত্বৰ বিভিন্ন দিশৰ বিষয়ত বিতং আলোচনা কৰা হৈছে। স্বৰধ্বনি, স্বৰধ্বনিৰ প্ৰয়োগ, ব্যঞ্জনধ্বনি,

ব্যঞ্জনধ্বনিৰ প্ৰয়োগ, ব্যঞ্জন সংযুতি আদিৰ বিষয়ত আলোচনা কৰা হৈছে। আলোচনাৰ অন্তত গম পোৱা গ'ল যে শৰণীয়া-কছাৰীসকলৰ কথিত ভাষাটো কামৰূপী ভাষাৰ লগত সাদৃশ্য আছে যদিও ধ্বনিসমূহৰ উচ্চাৰণৰ ধৰণ সম্পূৰ্ণ সুকীয়া। তদুপৰি কামৰূপী উপভাষাত নথকা বহুত শব্দ তেওঁলোকে কোৱা কথিত ভাষাটোত দেখা যায়। বাক্য গাঁঠনিও সম্পূৰ্ণ সুকীয়া। যিয়ে জনজাতীয় জনগোষ্ঠীটোক এক সুকীয়া পৰিচয় দিছে। অৱশ্যে শিক্ষা-দীক্ষাৰ প্ৰসাৰ তথা যাতায়তৰ সুচল ব্যৱস্থাৰ কাৰণে তথা অন্য ঠাইৰ অনেক মানুহৰ লগত কথাৰ আদান-প্ৰদানৰ কাৰণে তেওঁলোকৰ ঘৰুৱা ভাষাটোলৈও কিছু পৰিবৰ্তন আহিছে। কিছুসংখ্যক লোকে ঘৰুৱা ভাষাটোৰ সলনি মান্য অসমীয়া ভাষাই বাহিৰে-ভিতৰে ব্যৱহাৰ কৰে। গৱেষণা গ্ৰন্থখনিৰ তৃতীয় অধ্যায়ত 'শৰণীয়া-কছাৰীসকলৰ কথিত অসমীয়া ভাষাৰ ৰূপতত্ত্ব আৰু শব্দভাণ্ডাৰৰ বিষয়ে' আলোচনা কৰা হৈছে। ৰূপতত্ত্বত বিভিন্ন পদৰ বিষয়ে বৰ্ণনা কৰাৰ উপৰিও বচন, লিংগ, প্ৰত্যয় আদিৰ বিষয়ে বৰ্ণনা কৰা হৈছে। শব্দভাণ্ডাৰত তেওঁলোকৰ সমাজত প্ৰচলিত বিভিন্ন বিষয়ৰ লগত জড়িত শব্দৰ বিষয়ে উল্লেখ কৰা হৈছে।

চতুৰ্থ অধ্যায়ত শৰণীয়া-কছাৰীসকলৰ 'ভৌতিক সংস্কৃতি' সম্পৰ্কে আলোচনা কৰা হৈছে। এই অধ্যায়ত শৰণীয়া-কছাৰীসকলৰ লোকস্থাপত্যৰ অন্তৰ্গত ঘৰ-দুৱাৰ নিৰ্মাণ সম্পৰ্কীয় বিষয় আলোচনা কৰা হৈছে। তদুপৰি তেওঁলোকৰ বিভিন্ন সাজপাৰ, সা-সজুলি, খোৱা-লোৱা, আ-অলংকাৰ, প্ৰসাধন সম্পৰ্কীয় বিভিন্ন দিশৰ ওপৰত আলোকপাত কৰা হৈছে। পঞ্চম অধ্যায়ত শৰণীয়া-কছাৰীসকলৰ লোক-সাহিত্যৰ বিষয়ে আলোচনা কৰা হৈছে। তেওঁলোকৰ সমাজত প্ৰচলিত বিভিন্ন ধৰণৰ লোকগীত, লোকনৃত্য, সাধুকথা, লোককথা আদিৰ বিস্তৃত আলোচনা আগবঢ়োৱা হৈছে। তেওঁলোকৰ সমাজত প্ৰচলিত মাছমৰীয়া নৃত্য, জাকৈ নৃত্য, চিকাৰ নৃত্য আদি বিভিন্ন নৃত্যই তেওঁলোকৰ সংস্কৃতিৰ কলেবৰ বঢ়াই তুলিছে। সেইদৰে সাঁথৰ, যোজনা-পটন্তৰ আদিয়েও তেওঁলোকৰ লোক সাহিত্যৰ ভঁৰাল চহকী কৰি তুলিছে। সেই বিষয়ে এই অধ্যায়টোত বিস্তৃত বিশ্লেষণ আগবঢ়োৱা হৈছে। 'শৰণীয়া-কছাৰীসকলৰ সামাজিক লোকাচাৰ' শীৰ্ষক বিষয়টিৰে ষষ্ঠ অধ্যায়টি প্ৰস্তুত কৰা হৈছে। এই অধ্যায়টোত শৰণীয়া কছাৰীসকলৰ জন্ম, মৃত্যু আৰু বিবাহ সম্পৰ্কীয় বিভিন্ন ৰীতি-নীতি, লোকাচাৰ, পৰম্পৰা আদিৰ বিষয়ে আলোচনা কৰা হৈছে। সামাজিক প্ৰাণী হিচাপে মানুহে জন্মৰ পৰা মৃত্যুলৈকে যিমান ৰীতি-নীতি পালন কৰি আহিছে সেই সকলোবোৰৰে কিছু আভাস দিব বিচৰা হৈছে। তদুপৰি মহিলাকেন্দ্ৰিক আচৰণ, ধৰ্মীয় আচৰণ, কৃষি ভিত্তিক আচৰণেও এই অধ্যায়টিৰ কলেবৰ বঢ়াইছে। সময়ৰ সোঁতত যে তেওঁলোকৰ সমাজত প্ৰচলিত বহু লোকাচাৰ হেৰাই গৈছে অথবা থকাখিনিৰো কিছু পৰিমাণে পৰিবৰ্তন হৈছে সেয়া তেওঁলোকৰ লোকাচাৰসমূহ বিশ্লেষণ

কৰিলে অনুভৱ কৰিব পাৰি। আধুনিকতাৰ দোহাই দি বহু পৰাম্পৰাগত বিজ্ঞানসন্মত লোকাচাৰ কিছু লোকে মানিবলৈ টান পায়। তথাপিও তাৰ মাজতে তেওঁলোকৰ লোকাচাৰসমূহক জীৱিত কৰি ৰাখিছে এচাম সংস্কৃতিৱান আৰু সচেতন লোকে।

অধ্যয়নৰ অন্তত এটা কথা ক'ব পাৰি যে অসমৰ অন্য জনজাতীয় জনগোষ্ঠীৰ দৰে শৰণীয়া-কছাৰীসকলো অসমৰে এটি অন্যতম জনজাতীয় জনগোষ্ঠী। জনজাতীয় সকলো উপাদানেৰে পুষ্ট শৰণীয়া-কছাৰীসকলৰ কথিত ভাষাত জনজাতীয় সুৰ স্পষ্ট। অৱশ্যে সময়ৰ সোঁতত বিভিন্ন জাতি-জনজাতিৰ লগত সংমিশ্ৰণ হৈ তেওঁলোকৰ ভাষা-কৃষ্টিৰ মাজলৈ অনেক পৰিৱৰ্তন আহিছে। তথাপিও তেওঁলোকে নিজস্বতা এৰি দিয়া নাই। যিয়ে শৰণীয়া-কছাৰীসকলক আৰু অধিক উজ্বলাই তুলিছে।

**সম্ভাৱনীয়তা ঃ**

সামগ্ৰিক ভাবে আমাৰ এই গৱেষণা কৰ্মৰ অধ্যয়নৰ দ্বাৰা শৰণীয়া-কছাৰীসকলৰ ঐতিহ্য আৰু ইতিহাস সম্পৰ্কে অনেক বিষয় উপলব্ধি কৰোৱাত আৰু অধিক সহায়ক হব। শৰণীয়া-কছাৰীসকলৰ ভাষা, সমাজ আৰু সংস্কৃতিৰ বিস্তৃত অধ্যয়নৰ ক্ষেত্ৰত ভৱিষ্যতে গৱেষকসকলক এই গৱেষণা গ্ৰন্থখনিয়ে অৰিহণা যোগাব পাৰিব। তদুপৰি তেওঁলোকৰ মাজত অধুনালুপ্ত বহুতো লোকাচাৰ, সংস্কৃতি আদিৰ পুনৰুদ্ধাৰ আৰু পুনৰ প্ৰচলন কৰাত এই অধ্যয়নে সহায়ৰ হাত আগবঢ়াব। অসমত বসবাস কৰা বিভিন্ন জনগোষ্ঠীৰ ভাষা-সংস্কৃতি তথা সমাজ ব্যৱস্থাৰ লগত শৰণীয়া কছাৰীসকলৰ সমাজ সংস্কৃতি আৰু ভাষাৰ তুলনামূলক অধ্যয়নৰ ক্ষেত্ৰতো এই অধ্যয়নে সহায়ৰ হাত আগবঢ়াব পাৰিব বুলি ভবাৰ অৱকাশ আছে।

জাতি নিৰ্বিশেষে যে স্থাপত্য আৰু ভাস্কৰ্য শিল্পই এক অতুলনীয় নিদৰ্শন দাঙি ধৰিব পাৰে তাকো এই অধ্যয়নৰ জৰিয়তে উমান পাব পাৰি। সেইদৰে তেওঁলোকৰ মাজত প্ৰচলিত বাম্বোলপিটা গীত, জাকৈ নৃত্য, ভকতসেৱাত গোৱা বাক্য আৰু সদাচাৰ আৰু আন-আন নৃত্যসমূহক কেনেদৰে ৰাষ্ট্ৰীয় পৰ্য্যায়লৈ আগবঢ়াই আনিব পাৰি তাকো এই অধ্যয়নে পথ দেখুৱাব পাৰিব। সময়ৰ সীমাবদ্ধতাৰ কাৰণে এৰাই যোৱা বিভিন্ন বিষয় যেনে খেল -ধেমালিৰ গীত, ফকৰা-যোজনাকে ধৰি অনান্য গীত আদিৰ বিষয়তো পৰৱৰ্তী উৎসাহী গৱেষকে গৱেষণা কৰিব পাৰিব। সেইদৰে অসমৰ প্ৰায়ভাগ জনজাতীয় জনগোষ্ঠীৰ মাজতে লালিলাং বা নাঙেলী নামৰ একশ্ৰেণীৰ যৌনগন্ধী গীতৰ প্ৰচলন আছে। কেৱল সুৰৰ ক্ষেত্ৰত পাৰ্থক্য দেখা যায়। শৰণীয়া সমাজতো লালিলাং গীতৰ প্ৰচলন আছে। য'ত যৌনতাৰ পয়োভৰ আছে। অধিক মাত্ৰাত শ্ৰুতিকটু শব্দৰ ব্যৱহাৰ থকাৰ কাৰণে আলোচনাৰ আওঁতালৈ আনিব পৰা নগ'ল। কোনো

উৎসাহী গৱেষকে লালিলাং গীতৰ শ্ৰুতিকটু শব্দৰ ঠাইত অন্য সমাৰ্থক শব্দ দি এই গীতসমূহৰ ওপৰত গৱেষণা কৰিব পাৰে। সেইদৰে শৰণীয়া সমাজত খাদ্য সম্ভাৰৰ ইমান দিশ আছে যে কোনো গৱেষকে অকল শৰণীয়া সমাজৰ খাদ্য সংস্কৃতি সম্পৰ্কেও গৱেষণা কৰিব পাৰে। শৰণীয়া সমাজত প্ৰচলিত লোক সাহিত্যৰ লগত আন জনজাতিয় সমাজৰ লোক সাহিত্যৰ তুলনামূলক আলোচনা কৰিও গৱেষণা কৰ্মত অগ্ৰসৰ হ'ব পাৰে। মুঠতে বহুতো দিশত অনাদৃত হৈ ৰোৱা বিভিন্ন বিষয়ৰ ক্ষেত্ৰত গৱেষণা বিস্তৃতভাবে কৰিব পাৰিব। তদুপৰি তেওঁলোকে কোৱা কথিত ভাষাটোৰ ক্ষেত্ৰতো গৱেষণাৰ অনেক সম্ভৱনা আছে।